**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-05-2025
**Time :** 1945Hrs

***Assamese Evening Bulletin***
***Headlines***
**--------------------**

০০০০০০

১। ভাৰতৰ অপাৰেছন সিন্দুৰত নটা সন্ত্ৰাসবাদী ঘাটি ধবংসৰ লগতে প্ৰায় ১০০ গৰাকী সন্ত্ৰাসবাদী নিহত বুলি সেনাৰ শীৰ্ষ বিষয়াৰ ঘোষণা।

২। লক্ষ্ণৌত ব্ৰহ্মছ ক্ষেপণাস্ত্ৰৰ আকাশমাৰ্গত সংহতকৰণ আৰু পৰীক্ষা ব্যৱস্থা ভাৰ্চুৱেল পদ্ধতিৰে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ মুকলি।

৩। ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা ২৭খন জিলাত একেলগে অব্যাহত।

৪। খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া সমাৰোহৰ ভাৰোত্তোলনত অসমৰ আইচাংফাৰ গগৈৰ সোণৰ পদক দখল।

*আৰু*

৫। শ্ৰীলংকাক ৯৭ ৰাণত পৰাস্ত কৰি ত্ৰিদেশীয় এদিনীয়া শৃংখলাত ভাৰতৰ মহিলা দলৰ খিতাপ জয়।

০০০০০০

অপাৰেচন সিন্দুৰ সন্দৰ্ভত আজি ভাৰতীয় সশস্ত্ৰ বাহিনীৰ তিনিওটা শাখাই কিছু সময়ৰ পূৰ্বে এখন সংবাদমেল যোগে অৱগত কৰে। সংবাদ মেলত স্থল সেনা বাহিনীৰ সামৰিক অভিযানৰ সঞ্চালক প্ৰধান ডি জি এম অ' লেফটেনেণ্ট জেনেৰল ৰাজীৱ ঘাই, বায়ুসেনা বাহিনীৰ ডি জি এম অ' এয়াৰ মাৰ্শ্বাল এ কে ভাৰ্টি আৰু নৌসেনা বাহিনীৰ ডি জি এম অ' ভাইচ এডমিৰেল প্ৰমোদে অংশগ্ৰহণ কৰে। স্থলসেনা বাহিনীৰ ডি জি এম অ'গৰাকীয়ে কয় যে পেহেলগামত ২৬জন নিৰীহ লোকক সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনাৰ প্ৰত্যুত্তৰ হিচাপে এই সন্ত্ৰাসবাদবিৰোধী অভিযান চলোৱা হৈছিল আৰু ইয়াৰ দ্বাৰা সন্ত্ৰাসবাদীৰ ঘাটিসমূহ চিনাক্ত কৰি ধবংস কৰাৰ লগতে সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বাবে ব্যৱহাৰ কৰা আন্তঃগাঁথনি নষ্ট কৰাৰো চেষ্টা চলোৱা হৈছিল। ইয়াৰ বাবে পাকিস্তান অধীকৃত জম্মু-কাশ্মীৰ আৰু পাকিস্তানত ৯টা এনে ঘাটি চিনাক্ত কৰি অভিযান চলোৱা হৈছিল। এই অভিযানত তিনিজন দুৰ্দ্ধৰ্ষ সন্ত্ৰাসবাদী ইউচুফ আজহাৰ, আব্দুল মালিক ৰৌফ আৰু মুদাছিৰ আহমেদৰ লগতে মুঠ ১০০জন সন্ত্ৰাসবাদী নিহত হোৱা বুলি তেওঁ প্ৰকাশ কৰে। এই সন্ত্ৰাসবাদীকেইজন পুলৱামা বিস্ফোৰণ আৰু বিমান অপহৰণৰ ঘটনাৰ সৈতেও জড়িত আছিল। ভাৰতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে গ্ৰহণ কৰা শূণ্য সহনশীলতাৰ নীতিৰ অধীনত কেৱল সন্ত্ৰাসবাদক লক্ষ্য কৰিহে এই অভিযান চলোৱা হৈছে বুলি তেওঁ দৃঢ়তাৰে প্ৰকাশ কৰে।

বায়ুসেনা বাহিনীৰ ডি জি এম অ' এ কে ভাৰ্টিয়ে বায়ুসেনাই অভিযানত আঘাত হনা স্থানসমূহৰ নক্সাচিত্ৰ প্ৰদৰ্শন কৰে। এই অভিযানত সন্ত্ৰাসবাদীৰ কেইবাটাও প্ৰশিক্ষণ শিবিৰ ধবংস কৰা হৈছে বুলিও তেওঁ বিস্তৃত তথ্য সহকাৰে প্ৰকাশ কৰে। পাকিস্তানে ভাৰতৰ জনবসতিপূৰ্ণ অঞ্চল আৰু সামৰিক ঘাটিলৈ লক্ষ্য কৰি ৮ আৰু মে'ত অপ্ৰৰোচিতভাৱে গোলাবৰ্ষণ আৰু ড্ৰোণেৰে কৰা আক্ৰমণ সশস্ত্ৰ বাহিনীয়ে প্ৰতিহত কৰে বুলি তেওঁ সদৰি কৰে। তেওঁ কয় যে ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে বছা বছা সন্ত্ৰাসবাদী ঘাটিসমূহকহে আক্ৰমণৰ লক্ষ্য কৰি লৈছিল। তদুপৰি পাকিস্তানৰ অপ্ৰৰোচিত আক্ৰমণ প্ৰতিহত কৰাৰ বাবে তেওঁলোকৰ বায়ুসেনা প্ৰতিৰক্ষা ব্যৱস্থাতো আঘাত হনা হৈছিল বুলি তেওঁ কয়। অৱশ্যে অসামৰিক বিমানক কোনো কাৰণতে আক্ৰমণ কৰা হোৱা নাছিল বুলিও তেওঁ জানিবলৈ দিয়ে।

নৌ সেনা বাহিনীৰ ডি জি এম অ' প্ৰমোদে সংবাদ মেলত কয় যে, ভাৰতে দায়িত্বশীল, যথোচিত আৰু বিবেচকভাৱে পাকিস্তানৰ আক্ৰমণ আৰু অভিসন্ধিৰ প্ৰত্যুত্তৰ দিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নতুন দিল্লীৰ চৰকাৰী বাসভৱনত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। এই বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল, চীফ অফ ডিফেনছ ষ্টাফ জেনেৰেল অনিল চৌহান, সেনা প্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, নৌসেনা প্ৰধান এডমিৰেল দীনেশ কে ত্ৰিপাঠী আৰু বায়ু সেনা প্ৰধান এয়াৰ চীফ মাৰ্শ্বাল অমৰ প্ৰীত সিং উপস্থিত আছিল। ভাৰত আৰু পাকিস্তানৰ মাজত কালি হোৱা সংঘৰ্ষ বিৰতিৰ বুজাবুজিৰ পাছত আজি এই গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। কাইলৈ দুয়োখন দেশৰ সামৰিক অভিযান সঞ্চালকপ্ৰধান, **DGMO** পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হোৱাৰ কথা।

উল্লেখযোগ্য যে বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে যোৱা নিশা পাকিস্তানে সংঘৰ্ষ বিৰতি উলংঘা কৰাৰ বিষয়টো নতুন দিল্লীয়ে গুৰুত্ব সহকাৰে লৈছে বুলি সংবাদমেলত উল্লেখ কৰিছিল। তেওঁ লগতে সামগ্ৰিক পৰিস্থিতিত সশস্ত্ৰ বাহিনীসমূহে চোকা দৃষ্টি ৰাখিছে বুলি উল্লেখ কৰিছিল। আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ লগতে নিয়ন্ত্ৰণ ৰেখাত হোৱা যিকোনো কূটাঘাটমূলক ঘটনাৰ শক্তিশালী প্ৰত্যুত্তৰ দিবলৈ সশস্ত্ৰ বাহিনীক নিৰ্দেশ দিয়া হৈছে বুলিও বিদেশ সচিবগৰাকীয়ে অৱগত কৰিছে।

০০০০০০০

অপাৰেচন সিন্দুৰ কেৱল সামৰিক অভিযানেই নহয় বৰং এই অভিযানে ভাৰতৰ ৰাজনৈতিক, সামাজিক, কৌশলগত ক্ষেত্ৰত দৃঢ়তাক প্ৰতিপন্ন কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি লক্ষ্ণৌত ব্ৰহ্মছ এৰোস্পেছ একত্ৰিকৰণ আৰু পৰীক্ষণ ব্যৱস্থা ভাৰ্চুৱেল পদ্ধতিৰে মুকলি কৰি দিয়া ভাষণত এই কথা উল্লেখ কৰে। তেওঁ কয় যে অপাৰেছন সিন্দুৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ কঠোৰ স্থিতিক প্ৰতিফলিত কৰাৰ উপৰি সামৰিক শক্তিৰ দৃঢ়তা আৰু সামৰ্থক বিশ্বৰ সন্মুখত তুলি ধৰিছে। শ্ৰী সিঙে কয় যে ভাৰতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰাৰ সময়ত সীমান্তৰ সিপাৰৰ ভূমিও সন্ত্ৰাসবাদী আৰু তেওঁলোকৰ নেতাসকলৰ বাবে সুৰক্ষিত হৈ নাথাকে বুলি দেশখনে প্ৰমাণ কৰিছে।

বাইট (ৰাজনাথ সিং)

ব্ৰহ্মছৰ বিষয়ে উল্লেখ কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে ইয়াক ভাৰত আৰু ৰাছিয়াৰ সন্মিলিত উচ্চ ক্ষমতাসম্পন্ন প্ৰতিৰক্ষা প্ৰযুক্তি বুলি উল্লেখ কৰে। অনাগত দিনত ইয়াৰ দ্বাৰা প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে নিয়োগৰ সুবিধা সৃষ্টি হ'ব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। শ্ৰী সিঙে কয় যে প্ৰতিৰক্ষা খণ্ডত স্বনিৰ্ভৰশীলতাই ব্যাপক অৰ্থ বহন কৰে। ইয়াৰ দ্বাৰা নিজৰ বাবে অস্ত্ৰ-শস্ত্ৰ সামৰিক সঁজুলি উৎপাদন কৰাৰ উপৰি বিশ্বৰ বিভিন্ন দেশলৈ এইসমূহ ৰপ্তানি কৰাৰ লক্ষ্য লৈছে।

০০০০০০০০

ৰাজ্যত দুটা পৰ্যায়ত অনুষ্ঠিত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা ২৭খন জিলাত একেলগে চলি আছে। আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ একাংশ পদত ইতিমধ্যে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। এইবাৰ গাঁও পঞ্চায়ত সদস্যৰ বাবে কোনো দলীয় প্ৰাৰ্থী নাছিল, ৰাজনৈতিক দলৰ সলনি নিৰ্দলীয়ভাৱে প্ৰাৰ্থীসকলে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়।

বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ত জিলাখনৰ পাঁচটা বিধানসভা সমষ্টিৰ অন্তৰ্গত পঞ্চায়তৰ ভোটগণনা চলি আছে। এই পৰ্যন্ত অতি কম সংখ্যক গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তৰ ফলাফল আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা হৈছে। আঞ্চলিক পঞ্চায়তৰ ক্ষেত্ৰত হৰিপুৰ সমষ্টিত আম আদমী পাৰ্টিৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। শ্ৰীভূমিত অনুষ্ঠিত ভোটগণনাত বাতৰি যুগুতোৱ পৰলৈকে বিজেপি আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰ মাজত তীব্ৰ যুঁজ চলিছে। মৰিগাঁও জিলাৰ চৰাইবাহী চাবুকধৰা জিলা পৰিষদৰ অন্তৰ্গত কপিলী আঞ্চলিক পঞ্চায়তত বিজেপি প্ৰাৰ্থী আগবাঢ়ি আছে। শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিত কঠোৰ নিৰাপত্তাৰ মাজেৰে ভোটগণনা চলি আছে। এই সন্দৰ্ভত আকাশবাণীৰ মাজুলীৰ সংবাদদাতা বিকাশ শইকীয়াই এইদৰে কয়।

**বাইট (ৰজত ভৰদ্বাজ, শোণিতপুৰ)**

বৰাক উপত্যকাৰ কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাতো ভোটগণনা চলি আছে। কাছাৰত ভাৰতীয় জনতা পাৰ্টীয়ে জিলা পৰিষদ গঠনৰ দিশে আগবাঢ়িছে। আনুষ্ঠানিক ঘোষণা নকৰিলেও বাতৰি যুগুতোৱাৰ পৰলৈকে ২৩খন জিলা পৰিষদৰ ১৯খনতে বিজেপি প্ৰাৰ্থীয়ে অগ্ৰগতি লাভ কৰিছে। কংগ্ৰেছে তিনিখন আসনত আগবাঢ়ি আছে। শিলচৰৰ ৰামনগৰৰ আই এচ বি টি আৰু আই এছ টি টিত অনুষ্ঠিত ভোটগণনা বৰষুণৰ বাবে এঘণ্টা পলমকৈ আৰম্ভ হয়।

ধেমাজি আৰু মাজুলীত ইতিমধ্যে কেইবাগৰাকীও ৱাৰ্ড সদস্যই জয়লাভ কৰিছে। মাজুলীৰ ৰাৱনপাৰা আঞ্চলিক পঞ্চায়তৰ আঞ্চলিক সদস্যৰ বিজেপি মিত্ৰজোঁটৰ পৱিত্ৰ বৰা বিজয়ী হৈছে। গড়মূৰ আঞ্চলিক পঞ্চায়তত‌ো বিজেপিৰ প্ৰাৰ্থী ৰেখা বৰুৱা বিজয়ী হয়। ইপিনে, আহতগুৰি আঞ্চলিক পঞ্চায়তত মিত্ৰজোঁটে অগ্ৰগতি লাভ কৰাৰ লগতে মাজুলীৰ চাৰিখন জিলা পৰিষদতো মিত্ৰজোঁটৰ প্ৰাৰ্থী আগবাঢ়ি আছে। এই সন্দৰ্ভত আকাশবাণীৰ মাজুলীৰ সংবাদদাতা বিকাশ শইকীয়াই এইদৰে কয়।

**বাইট (বিকাশ শইকীয়া, মাজুলী)**

হোজাই জিলাৰ সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰত কটকটীয়া নিৰাপত্তাৰ মাজেৰে ভোটগণনা অব্যাহত আছে। প্ৰতিকূল বতৰৰ বাবে কিছু অসুবিধাৰ সন্মুখীন হ'লেও নিয়াৰিকৈ ভোটগণনা চলি আছে। চৰাইদেউ জিলাত প্ৰথম পৰ্যায়ৰ ভোটগণনা ফলাফল অনুসৰি সোণাৰি বিধানসভা সমষ্টিৰ সোণালী গাঁও পঞ্চায়তৰ ১০টা ৱাৰ্ডতে বিজেপি প্ৰাৰ্থী জয়ী হৈছে।

শিৱসাগৰ জিলাৰ তিনিটা সমষ্টি ক্ৰমে শিৱসাগৰ, ডিমৌ আৰু নাজিৰা সদৰত ভোটগণনা চলি আছে। জিলাখনত এইবাৰ মুঠ দুহেজাৰ ২৯১গৰাকী প্ৰাৰ্থী এই নিৰ্বাচনত অৱতীৰ্ণ হৈছে। বাতৰি যুগুতোৱাৰ পৰলৈকে নিৰ্বাচনী কৰ্তৃপক্ষই ১২খন জিলা পৰিষদৰ ১১খন আসনৰ প্ৰথম ৰাউণ্ডৰ ফলাফল প্ৰকাশ কৰিছে। প্ৰথম ৰাউণ্ডৰ অন্তত বিজেপি আৰু মিত্ৰদল অসম গণ পৰিষদৰ প্ৰাৰ্থীয়ে অগ্ৰগতি লাভ কৰিছে।

গোৱালপাৰাত ১৪খন জিলা পৰিষদৰ বাবে অনুষ্ঠিত পঞ্চায়ত নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে অগ্ৰগতি লাভ কৰি আছে। আজি অনুষ্ঠিত ভোটগণনা প্ৰক্ৰিয়াত বিজেপি মিত্ৰজোঁটে ৯খন জিলা পৰিষদে অগ্ৰগতি লাভ কৰিছে। এ আই ইউ ডি এফে তিনিখন আৰু কংগ্ৰেছে এখন আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে এখন জিলা পৰিষদত অগ্ৰগতি লাভ কৰিছে।

বজালী জিলাৰ সদৰ পাঠশালাত ৫০খন মেজত ভোটগণনা প্ৰক্ৰিয়া চলি আছে। বাতৰি যুগুতোৱা পৰলৈ পাঁচখন জিলা পৰিষদৰ দ্বিতীয় ৰাউণ্ডৰ ভোটগণনা অন্ত পৰিছে। দ্বিতীয় ৰাউণ্ডৰ অন্তত দক্ষিণ বজালী জিলা পৰিষদত বিজেপি প্ৰাৰ্থীয়ে অগ্ৰগতি লাভ কৰিছে। মধ্য বজালী জিলা পৰিষদত নিৰ্দলীয় প্ৰাৰ্থী, উত্তৰ বজালী পৰিষদত বিজেপি প্ৰাৰ্থী, পশ্চিম বজালী পৰিষদত অ-গ-প প্ৰাৰ্থী আৰু ভৱানীপুৰ সৰুপেটা জিলা পৰিষদত কংগ্ৰেছ প্ৰাৰ্থীয়ে অগ্ৰগতি লাভ কৰিছে। ধুবুৰী জিলাতো পুৱাৰে পৰা ভোটগণনা চলি আছে। এই সন্দৰ্ভত ধুবুৰী জিলাৰ আকাশবাণীৰ সংবাদদাতা প্ৰদীপ সাহাই এইদৰে কয়-

**বাইট (ধুবুৰী, প্ৰদীপ সাহা)**

কামৰূপ মহানগৰ জিলাৰ ডিমৰীয়া সমজিলাৰ ট্ৰাইছেম হল আৰু জালুকবাৰী সমজিলা আয়ুক্ত কাৰ্যালয়ত ভোটগণনা চলি আছে। এই পৰ্যন্ত লাভ কৰা তথ্য অনুসৰি ডিমৰীয়া সমজিলাৰ কমাৰকুছি গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যপদত বিজেপি প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। বৰখাট আৰু ডিমৰীয়া জিলা পৰিষদত বিজেপি আৰু সোণাপুৰ জিলা পৰিষদত কংগ্ৰেছ প্ৰাৰ্থীয়ে আগবাঢ়ি আছে।

০০০০০০

জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি তামুলপুৰ জিলাৰ পাগলাদিয়া নৈত নিৰ্মীয়মান মথাউৰি পৰিদৰ্শন কৰে। মন্ত্ৰী শ্ৰীহাজৰিকাই তামুলপুৰৰ জাৰতালুকত প্ৰায় ৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ নিৰ্মীয়মান মথাউৰিৰ লগতে গোৰেশ্বৰৰ শুক্লাই নৈত নৱনিৰ্মিত মথাউৰিও পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে নিধুৱাত নিৰ্মাণ কৰা মথাউৰিও পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীয়ে কয় যে তামুলপুৰ জিলাত এইবাৰ ১৩ কিলোমিটাৰ মথাউৰি উন্নত প্ৰযুক্তিৰে নিৰ্মাণ কৰা হৈছে।

০০০০০০

অসমৰ উদীয়মান মহিলা ভাৰোত্তোলক আইচাংফা গগৈয়ে সপ্তম খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া সমাৰোহত ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি সোণৰ পদক দখল কৰিবলৈ সমৰ্থ হৈছে। বিহাৰৰ ৰাজগীৰত চলি থকা প্ৰতিযোগিতাখনৰ আজি ছোৱালীৰ ৫৫ কিলোগ্ৰাম ওজন

শাখাত ভাৰোত্তোলকগৰাকীয়ে দুটাকৈ ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰি সোণৰ পদক জয় কৰে। অসমে আজি প্ৰতিযোগিতাখনত আৰু এটা ৰূপৰ পদক জয় কৰে। ভাৰোত্তোলনৰ ল'ৰাৰ ৬৭ কিলোগ্ৰাম ওজন শাখাত অসমৰ অভিনৱ গগৈয়ে ৰূপৰ পদক জয় কৰে। আনহাতে, খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াৰ চেপাকটাক্ৰ'ত অসসমৰ ল'ৰাৰ দলে সোণৰ পদক লাভ কৰিছে। কালি নিশা অনুষ্ঠিত ডাবলছ শাখাৰ ফাইনেলত অসমে বিহাৰক ১৫-১৩, ১৭-১৫ৰ ব্যৱধানত পৰাস্ত কৰে। সোণৰ পদক দখল কৰা অসমৰ দলটো এম থৈবা সিনহা, প্ৰিন্স সিনহা আৰু অভিজিৎ সিনহাৰে গঠিত।

০০০০০

ভাৰতৰ মহিলা ক্ৰিকেট দলটোৱে শ্ৰীলংকাত অনুষ্ঠিত ত্ৰিদেশীয় এদিনীয়া শৃংখলাৰ খিতাপ অৰ্জন কৰিছে। কলম্বোত আজি অনুষ্ঠিত ফাইনেলত ভাৰতে শ্ৰীলংকাৰ মহিলা দলটোক ৯৭ ৰাণত পৰাস্ত কৰে। খেলখনত ভাৰতে জয়ৰ বাবে নিৰ্ধাৰণ কৰি দিয়া ৩৪৩ ৰাণৰ লক্ষ্যৰে খেলি ঘৰুৱা দলটো ৪৮ অভাৰ ২টা বলত ২৪৫ ৰাণত অলআউট হয়। ঘৰুৱা দলটোৰ হৈ অধিনায়ক চামাৰি আটাপাটিটোৱে সৰ্বাধিক ৫১ ৰাণ কৰে। ভাৰতৰ হৈ স্নেহা ৰাণাই চাৰিটা আৰু অমনজোৎ কৌৰে তিনিটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেটিং কৰি স্মৃতি মান্ধানাৰ ১৬৬, হাৰ্লিন দেউলৰ ৪৭, জেমিমা ৰোড্ৰিগোৱেজৰ ৪৪ আৰু অধিনায়ক হৰমনপ্ৰীত কৌৰৰ ৪১ ৰাণৰ সহায়েৰে সাতটা উইকেট হেৰুৱাই ৩৪২ ৰাণ সংগ্ৰহ কৰে।

০০০০০০০

গোলাঘাট জিলাৰ খুমটাইৰ মৌখোৱাত আজি পুৱা বিদ্যুৎস্পৃষ্ট হৈ এজন ছাত্ৰৰ মৃত্যু হয়। এই ঘটনাত দুগৰাকী গুৰুতৰভাৱে আহত হয়। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি পুৱা টিউচন কৰিবলৈ অহা তিনিগৰাকী ছাত্ৰ-ছাত্ৰীৰ গাত বিদ্যুৎ প্ৰৱাহিত তাঁৰ ছিগি পৰে আৰু লগে লগে মৌখোৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ ছাজিদুৰ ৰহমানৰ মৃত্যু হয়। বিদ্যুৎ প্ৰবাহৰ ফলত সপ্তম শ্ৰেণীৰ ছাত্ৰী ফাৰিহা আহমেদ আৰু অষ্টম শ্ৰেণীৰ ছাত্ৰ ছফিকুল আহমেদ গুৰুতৰভাৱে আহত হয়। দুয়োগৰাকীকে চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

০০০০০০০

সমাপ্ত